# স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

[ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ অধীনত পি.এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণা-গ্ৰন্থ ]

**চাণক্য বৈশ্য**
**অসমীয়া বিভাগ**
**বড়োলেণ্ড বিশ্ববিদ্যালয়**
২০২০

# SNEHADEVĪR GALPAT GRĀMYA JIWAN ĀRU LOKĀCHĀR : EK BIŚHLEṢANĀTMAK ADHYAYAN

**[ A THESIS SUBMITTED TO THE DEPARTMENT OF ASSAMESE**

**FOR THE DEGREE DOCTOR OF PHILOSOPHY**

**IN THE FACULTY OF LANGUAGE UNDER**

**BODOLAND UNIVERSITY ]**

**CHANAKYA BAISHYA**

**2020**

# SNEHADEVIR GALPAT GRAMYA JIWAN ARU LOKĀCHĀR : EK BIŚHLEṢANĀTMAK ADHYAYAN

[ A THESIS SUBMITTED TO THE DEPARTMENT OF ASSAMESE FOR

THE DEGREE DOCTOR OF PHILOSOPHY

IN THE FACULTY OF LANGUAGE UNDER

BODOLAND UNIVERSITY ]


**SUBMITTED BY :**

**CHANAKYA BAISHYA**

RESEARCH SCHOLAR

DEPARTMENT OF ASSAMESE

BODOLAND UNIVERSITY

ENROLLMENT NO. 04/2015

B.U. REGISTRATION NO. 003596 OF 2015-16

FINAL REGISTRATION NO. FINAL/01ASS0010 OF 2015-16

**UNDER THE SUPERVISION OF**

**DR. BIBHUTI LOCHAN SARMA**

ASSTT. PROFESSOR, DEPARTMENT OF ASSAMESE

BODOLAND UNIVERSITY, KOKRAJHAR

ড° বিভূতি লোচন শৰ্মা, এম্.এ., শাস্ত্ৰী, পি.এইচ.ডি
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ(বি.টি.চি.) অসম
ই.মেইল ঃ bls.nalbari@gmail.com
ভ্ৰাম্যভাষ ঃ ৯৪৩৫৩৬৪৫৭০

**Dr. Bibuti Lochan Sarma,** M.A., Sastri, Ph..D
Asstt. Professor, Department of Assamese
Bodoland University
Kokrajhar (BTC) Assam
Email: bls.nalbari@gmail.com
Mobile No. 9435364570

***Ref.................................***                                                 ***Date..........................***

# CERTIFICATE

Certified that the thesis entitled "**স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" "**SNEHA DEVĪR GALPAT GRĀMYA JIWAN ĀRU LOKĀCHĀR : EK BIŚHLEṢANĀTMAK ADHYAYAN**" submitted by Chanakya Baishya a regular Research Scholar of Ph.D. bearing Enrolment No. PHD-04/ 2015 of the Department of Assamese, Bodoland University for award of the Degree of Doctor of Philosophy in the subject of Assamese is the outcome of a bonafide research work. This work has not been submitted previously for any other degree in this or any other University/Institute. It is further certified that the candidate has complied with all the formalities as per the requirement of Bodoland University. We recommend that the thesis may be placed before the examiners for consideration of award of the degree of this University.

Dr. Bibuti Lochan Sarma
(Supervisor)
Department of Assamese
Bodoland University, Kokrajhar
(BTC), Assam

# D E C L A R A T I O N

I, Sri Chanakya Baishya, bearing Enrolment No. PHD-04/2015 hereby declare that the thesis entitled "স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন" **"SNEHA DEVĪR GALPAT̄ GRĀMYA JIWAŃ ARU ḶOKACHAR : EK BISHLESANATMAK ADHYAYAN"** is the record of work done by me and that the contents of this thesis did not from the basis for award of any degree to me or to anybody else to the best of my knowledge. The thesis has not been submitted in any other University / Institute.

The thesis is being submitted to Bodoland University for the degree of Doctor of Philosophy in Assamese.

**Place : Kokrajhar** **(Chanakya Baishya)**

**Date : ........................**

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা |
|---|---|---|
| | **কৃতজ্ঞতা** | অ |
| | **পাতনি** | ক-খ |
| | **সংক্ষিপ্ত ৰূপ** | গ |
| | **অৱতৰণিকা** | ·০১-·**১৫** |
| ১.০০ **প্ৰথম অধ্যায় ঃ** | **স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প** | ১-৪৩ |
| **১.০১** | স্নেহ দেৱীৰ জীৱন | ২ |
| **১.০২** | স্নেহ দেৱীৰ সাহিত্য কৃতি | ৯ |
| **১.০৩** | অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ | ১৯ |
| **১.০৪** | ৰামধেনু যুগৰ চুটিগল্প আৰু স্নেহ দেৱীৰ জীৱন দৰ্শন | ৩৫ |
| ২.০০**দ্বিতীয় অধ্যায় ঃ** | **স্নেহ দেৱীৰ গল্পত গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ** | ৪৪-৯২ |
| **২.০১** | স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন | ৪৬ |
| **২.০২** | স্নেহ দেৱীৰ গল্পত সমকালীন সামাজিক প্ৰেক্ষাপট | ৫২ |
| **২.০৩** | স্নেহ দেৱীৰ গল্পত গ্ৰাম্য চৰিত্ৰৰ চিত্ৰণ | ৬৪ |
| **২.০৪** | স্নেহ দেৱীৰ গল্পত গ্ৰাম্য প্ৰকৃতিৰ চিত্ৰণ | ৮৩ |
| ৩.০০ **তৃতীয় অধ্যায় ঃ** | **স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান** | ৯৩-১২৭ |
| **৩.০১** | স্নেহ দেৱীৰ গল্পত মৌখিক সাহিত্য | ৯৫ |
| **৩.০২** | স্নেহ দেৱীৰ গল্পত ভৌতিক সংস্কৃতি | **১০৪** |
| **৩.০৩** | স্নেহ দেৱীৰ গল্পত সামাজিক লোকাচাৰ | **১০৭** |
| **৩.০৪** | স্নেহ দেৱীৰ গল্পত লোক পৰিৱেশ্য কলা | **১২০** |

**৪.০০ চতুৰ্থ অধ্যায় ঃ** **স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ ভূমিকা** ১২৮- ১৬৬

৪.০১ স্নেহ দেৱীৰ গল্পৰ গ্ৰাম্য নাৰী ১৩০

৪.০২ স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ মানসিকতা ১৩৭

৪.০৩ স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ সৰলতা আৰু কুটিলতা ১৪৭

৪.০৪ স্নেহ দেৱীৰ গল্পত নাৰীৰ সামাজিক মৰ্য্যাদা ১৫৯

৫.০০ **পঞ্চম অধ্যায় ঃ** **সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব** ১৬৭-১৯৬

৫.০১ স্নেহ দেৱীৰ গল্পত সমসাময়িক সামাজিক সমস্যাসমূহৰ প্ৰতিফলন১৬৭

৫.০২ সাম্প্ৰতিক প্ৰেক্ষাপটত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব ১৭৫

৫.০৩ স্নেহ দেৱীৰ গল্প আৰু নিৰ্বাচিত গল্পকাৰৰ গল্পৰ তুলনামূলক আলোচনা ১৭৯

৫.০৪ স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা ১৮৭

**উপসংহাৰ** ১৯৭-২০৪

**সহায়ক গ্ৰন্থপঞ্জী** ২০৫-২১৫

**আলোকচিত্ৰ** ২১৬-২২৭

# কৃতজ্ঞতা

"**স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" শীৰ্ষক গৱেষণা-গ্ৰন্থখন প্ৰস্তুত কৰোঁতে বিভিন্ন জনৰ সহায় সহানুভূতি নহলে আমাৰ এই কাৰ্য্য সম্পাদন কৰা সম্ভৱ নহ'লহেতেন। প্ৰথমতে বড়োলেণ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষ, তথা এই বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক বৃন্দক কৃতজ্ঞতা জনাইছো। তেখেতসকলৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শৰ বাবেহে আমাৰ এই কাৰ্য্য সম্ভৱপৰ হৈ উঠিল। ইয়াৰ পিছত তত্ত্বাবধায়ক ড° বিভূতি লোচন শৰ্মা ছাৰক কৃতজ্ঞতা জনাইছো। তেখেতে তত্ত্বাবধায়ক হিচাপে পূৰ্ণ সহযোগিতা আগবঢ়াই নিয়াৰ লগতে তেখেতৰ বহুমূলীয়া উপদেশ, প্ৰয়োজনীয় দিহা-পৰামৰ্শ আদিৰে বিশেষ ভাৱে সহায় কৰিছে। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ড° নৰজ্যোতি শৰ্মা ছাৰ ড° ৰাতুল ডেকা ছাৰ, ড° চুমী কলিতা বাইদেউ, ড° প্ৰদীপ কুমাৰ পাত্ৰ ছাৰ, ড° ফুকন চন্দ্ৰ বসুমতাৰী ছাৰ, ড° হৰেকৃষ্ণ চাহু ছাৰে বিভিন্ন দিশত তথা আমাৰ গৱেষণা কাৰ্য্যত সহযোগ কৰি উপকৃত কৰা বাবে তেখেত সকললৈ মোৰ কৃতজ্ঞতা আৰু শলাগ জনালোঁ।

এই গৱেষণা-কৰ্মত মোক বিশেষ ভাৱে সহায় কৰা সহকৰ্মী ড° ডিম্বেশ্বৰ দাসলৈ কৃতজ্ঞতা জনালোঁ। তেখেতে বিভিন্ন গ্ৰন্থ, আলোচনী সংগ্ৰহ কৰি দি এই গৱেষণা কাৰ্য্যত বিশেষভাৱে সহায় কৰিছে। আনহাতে মাননীয় হিতেশ দাস, ড° কনেশ্বৰ বৰুৱা আৰু ড° দীনেশ দাসৰো মই অন্তকৰণেৰে শলাগ ললো।

মোৰ সহপাঠী গৱেষক ড° বিজু বৰুৱা, মাধৱ সূত্ৰধৰ আৰু মিতালী খাখলাৰীয়ে গৱেষণা-কৰ্মৰ অগ্ৰগতিত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াইছিল। তেখেত সকলকো মই অন্তকৰণেৰে কৃতজ্ঞতা জনালোঁ।

মোৰ সহধৰ্মিনী জুপিতৰা বৈশ্যই উৎসাহ নিদিলে কিজানি গৱেষণা আধাতে সামৰিব লাগিলহেতেন, একেদৰে মোৰ ভাইটি গোবিন্দ বৈশ্যই বিভিন্ন কিতাপ-পত্ৰ সংগ্ৰহ কৰি দিয়াৰ লগতে পত্ৰিকাত মোৰ লিখনি প্ৰকাশৰ ব্যৱস্থা কৰি দি পৰম উপকাৰ সাধিছে। সেয়ে তেওঁলোকলৈও আমাৰ কৃতজ্ঞতা আৰু শলাগ থাকিল।

শেষত আমাৰ গৱেষণা-গ্ৰন্থখন ডি.টি.পি কৰি দিয়াৰ দায়িত্ব লৈ অতি কম সময়ৰ ভিতৰতেই মোৰ হাতত তুলি দিয়াৰ বাবে শ্ৰী দীপক চক্ৰৱৰ্ত্তী আৰু নজৰুল ইছলামক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**( চাণক্য বৈশ্য )**

# পাতনি

গল্প ভাল নোপোৱা মানুহ হয়তো পৃথিৱীত কমেই ওলাব। সৰু ল'ৰা-ছোৱালীক নিচুকোৱা বা টোপনি অনাৰ এক জনপ্ৰিয় মাধ্যমেই আছিল সাধুকথা বা গল্প। আমাৰো চুটিগল্পৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছিল। অসমীয়া গল্প সাহিত্যৰ বেজবৰুৱাৰ *'মুক্তি, পাতমুগী',* মহিম বৰাৰ *'কাঠনিবাৰীৰ ঘাট',* চৈয়দ আব্দুল মালিকৰ *'মণিঅৰ্ডাৰৰ টকা',* হোমেন বৰগোহাঞিৰ *'হাতী'* আদি গল্পই বিশেষ ভাৱে ৰেখাপাত কৰাৰ ফলশ্ৰুতিত গল্পৰ প্ৰতি এক অনাহুত আকৰ্ষণ আছিল। সেয়ে বড়োলেণ্ড বিশ্ববিদ্যালয়ত আমাৰ তত্ত্বাৱধায়কে "**স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" এই বিষয়টো বাচি দিয়াত যথেষ্ট আনন্দ মনেৰেই গ্ৰহণ কৰা হয়। তদুপৰি স্নেহ দেৱীৰ কিছু সংখ্যক জনপ্ৰিয় গল্প যেনে- *'জননী, বিষক্ৰিয়া, নাম দিম কল্যাণী, বৰমা'* আদি গল্পবোৰ অধ্যয়ন কৰা হেতুকে তেখেতৰ প্ৰতি অধ্যয়নৰ আগ্ৰহ আছিল। মহিলা লেখিকা হিচাপে নাৰীৰ চেতন অৱচেতন মনৰ খবৰো জনাৰ সুযোগ ঘটিল আৰু তেখেতৰ গল্পত প্ৰতিফলিত হোৱা লোকাচাৰসমূহো অধ্যয়নৰ সুযোগ ঘটিল। এগৰাকী মহিলা লেখিকা হিচাপে তেওঁৰ গল্পবোৰত প্ৰতিফলিত বিভিন্ন দিশ চালি জাৰি চাবলৈ যাওঁতে কিছু অসুবিধাৰ সন্মুখীন নোহোৱাও নহয়। স্নেহ দেৱী আছিল প্ৰচাৰ বিমুখ অত্যন্ত সাধাৰণ মহিলা। সেয়ে তেখেতে নীৰৱে সাহিত্য চৰ্চা কৰি গৈছিল। তেখেতৰ ৰচিত সাহিত্যৰ বিশেষ কোনো আলোচনা নহ'ল। এগৰাকী মহিলা লেখিকাৰ মনোজগতত নাৰীকেন্দ্ৰীক দৃষ্টিভংগীয়ে প্ৰাধান্য লাভ কৰাটো নিত্যান্তই সাধাৰণ কথা। নাৰীৰ বিভিন্ন দিশৰ লগতে সমসাময়িক সমাজখনেও এখেতৰ গল্পত প্ৰাধান্য লাভ কৰিছে। স্নেহ দেৱীৰ সমসাময়িক মহিলা লেখিকা নাছিল বুলিয়েই ক'ব পাৰি। সেয়ে তেনেকুৱা এগৰাকী মহিলা লেখিকাৰ বিষয়ে অধ্যয়ন কৰাৰ সুযোগ পাই ভালেই লাগিল। অত্যন্ত আগ্ৰহেৰে বিষয়টো গ্ৰহণ কৰি গৱেষণা-কৰ্মত হাত দিয়া হ'ল।

গৱেষণা-কৰ্মত নামি পৰাৰ পিছতহে গম পালো যে চুটিগল্পৰ বিষয়ে অধ্যয়ন কৰা সিমান সহজ নহয়। স্নেহ দেৱীৰ গল্পৰ বিশেষ আলোচনা যিহেতু নাই সেয়ে সমল পৰ্যাপ্ত নোপোৱাৰ বাবে গৱেষণা-কৰ্মত যথেষ্ট জটিলতাৰ সৃষ্টি হ'ল। লেখিকা গৰাকীৰ গল্পসমূহ সূক্ষ্মভাৱে অধ্যয়ন কৰি সমলবোৰ বাচি-বাচি উলিয়াই হে এই গৱেষণা-গ্ৰন্থ প্ৰস্তুত কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা হ'ল।

অসমীয়া চুটিগল্পই আজিৰ দিনলৈ ১২৬ বছৰত ভৰি দিলে। এই ১২৬ বছৰীয়া গল্পৰ পৰম্পৰাত অনেক পৰিৱৰ্তন ঘটিল। বিষয়, ভাৱবস্তু, আঙ্গিক আৰু প্ৰকাশভঙ্গীৰ ক্ষেত্ৰতো অসমীয়া চুটিগল্পৰ পৰিৱৰ্তন হ'ল। বৰ্তমান ভাৰতীয় সাহিত্যৰ উপৰিও বিশ্বৰ অইন অইন সাহিত্যৰ লগতো চুটিগল্পই ফেৰ মাৰিব পৰা হ'ল। ই অসমীয়া সাহিত্যৰ বাবে সুখবৰ।

স্নেহ দেৱীৰ প্ৰথম দুখন গল্পপুথি—*"কৃষ্ণা দ্বিতীয়াৰ জোনাক"* আৰু *"স্নেহ দেৱীৰ গল্প"*ৰ গল্পবোৰ আৱাহন যুগৰ গল্পৰ ভঙ্গীৰেই ৰচিত হৈছে। কিন্তু পিছৰ দুখন অৰ্থাৎ *'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প, স্নেহ দেৱীৰ একুঁকি গল্প"* পুথিত ৰামধেনু যুগৰ গল্পৰ ছাঁ পৰিছে। ইয়াৰ গল্পবোৰত মানুহৰ মানসিক জগতখনৰ বিশ্লেষণ হৈছে, জীৱনৰ জটিল সমস্যাবোৰক সূক্ষ্মভাৱে বিশ্লেষণ কৰা হৈছে।

"**স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" বিষয়টি অধ্যয়ন কৰোতে তত্বাৱধায়কৰ পৰামৰ্শ আৰু অগ্ৰগতিৰ খতিয়ানৰ আলোচনা চক্ৰসমূহত নিৰ্বাচন কৰি দিয়া অধ্যায়সমূহক লৈয়েই গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। সুধী-সমাজে গৱেষণা-গ্ৰন্থখনৰ ভুল-ভ্ৰান্তিবোৰ আঙুলিয়াই দিলে যথেষ্ট উপকৃত হম।

**( চাণক্য বৈশ্য )**

**দিনাংকঃ .............................**

# সংক্ষিপ্ত ৰূপ

| | | |
|---|---|---|
| অনু, | — | অনুবাদ |
| অস. | — | অসমীয়া |
| খ্ৰী.ঃ | — | খ্ৰীষ্টীয় |
| বি. দ্ৰ. | — | বিশেষ দ্ৰষ্টব্য |
| সংক. | — | সংকলক |
| সম্পা. | — | সম্পাদনা |
| পৃ. | — | পৃষ্ঠা |
| পুণ. | — | পুণৰ |
| Co. | — | Corporation |
| Deptt. | — | Department |
| ed. | — | Editor |
| Ltd. | — | Limited |
| P. | — | Page |
| Pub. | — | Publication |
| Vol. | — | Volume |
| Regd. | — | Registration |
| No. | — | Number |
| Ph.D. | — | Doctor of Philosophy |
| Asstt. | — | Assistant |
| HoD | — | Head of the Department |

# অৱতৰণিকা